দেশ

ৰোহিংগীয়াসকলৰ নিৰাপদ আৰু শীঘ্ৰে ম্যানমাৰলৈ প্ৰত্যাৱৰ্তনৰ পোষকতা ভাৰতৰ; ICJৰ ৰায়ৰ পাছতে স্থিতি স্পষ্ট নতুন দিল্লীৰ

আন্তঃৰাষ্ট্ৰীয় ন্যায়ালয়ৰ ৰায়ৰ পাছতে ভাৰতৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে ৰোহিংগীয়াসকলক ম্যানমাৰলৈ নিৰাপদে উভতাই পঠোৱাৰ সমৰ্থন পুনৰ ব্যক্ত কৰিছে।

প্ৰকাশ: ২০ নৱেম্বৰ ২০২৬, আবেলি ৫:১৫



Randhir Jaiswal (NewzNow)

ৰোহিংগীয়া শৰণাৰ্থীসকলৰ নিৰাপদ, শীঘ্ৰ আৰু স্থায়ীভাৱে ম্যানমাৰলৈ প্ৰত্যাৱৰ্তনৰ ক্ষেত্ৰত ভাৰতৰ সমৰ্থন পুনৰ স্পষ্ট কৰিছে কেন্দ্ৰীয় চৰকাৰে। ৰোহিংগীয়া জনগোষ্ঠীৰ বিৰুদ্ধে গণহত্যাৰ গোচৰত আন্তঃৰাষ্ট্ৰীয় ন্যায়ালয়ে (ICJ) ম্যানমাৰৰ বিৰুদ্ধে ঐতিহাসিক ৰায় প্ৰদান কৰাৰ এদিন পাছতে ভাৰতৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে এই স্থিতি প্ৰকাশ কৰে।

শুকুৰবাৰে নতুন দিল্লীত অনুষ্ঠিত সংবাদমেলত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে কয় যে স্থানচ্যুত ৰোহিংগীয়াসকলৰ নিৰাপদ, শীঘ্ৰ আৰু স্থায়ী প্ৰত্যাৱৰ্তনৰ ক্ষেত্ৰত ভাৰতে সদায় সমৰ্থন আগবঢ়াই আহিছে। ইয়াৰ লগতে বাংলাদেশৰ শৰণাৰ্থী শিবিৰত থকা ৰোহিংগীয়াসকললৈ ভাৰতে আগবঢ়োৱা মানৱীয় সাহায্যৰ বিষয়েও উল্লেখ কৰে বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰগৰাকীয়ে। তেওঁৰ মতে, ‘অপাৰেচন

© 2026 NewzNow

ইনছানিয়ত’ৰ অধীনত ভাৰতে পাঁচটা পর্যায়ত সাহায্য সামগ্রী প্রেৰণ কৰিছিল।

উল্লেখ্য যে, ২০১৭ চনৰ ছেপ্টেম্বৰ মাহত ম্যানমাৰৰ পৰা বৃহৎ সংখ্যক ৰোহিংগীয়া শৰণার্থী বাংলাদেশলৈ পলায়ন কৰাৰ পাছতে ভাৰতে ‘অপাৰেচন ইনছানিয়ত’ আৰম্ভ কৰিছিল। ভাৰতৰ বৈদেশিক পৰিক্রমা মন্ত্রালয়ৰ ২০১৭-১৮ বর্ষৰ বার্ষিক প্রতিবেদন অনুসৰি, প্রায় তিনি লাখ স্থানচ্যুত লোকৰ বাবে চাউল, দাইল, চেনি, নিমখ, ৰন্ধন তেল, চাহ, খাদ্য সামগ্রী, বিস্কুট আৰু মহৰ পৰা সুৰক্ষাৰ বাবে আঁঠুৰা আদি অত্যাৱশ্যকীয় সামগ্রী যোগান ধৰা হৈছিল।

ইয়াৰ উপৰি ২০১৭ চনৰ অক্টোবৰ আৰু নৱেম্বৰ মাহত ম্যানমাৰৰ প্রায় ১৫ হাজাৰ স্থানচ্যুত লোকলৈও ভাৰতে সাহায্য আগবঢ়াইছিল। ম্যানমাৰৰ ৰাখাইন প্রদেশৰ আর্থ-সামাজিক উন্নয়নৰ বাবে ‘ৰাখাইন ষ্টেট ডেভেলপমেণ্ট প্রগ্রেম’ৰ অধীনত পাঁচ বছৰত ২৫ নিযুত মার্কিন ডলাৰ সাহায্যৰ প্রতিশ্রুতিও দিছিল ভাৰতে। ২০১৯ চনৰ জুলাই মাহত বাংলাদেশৰ পৰা উভতি যোৱা স্থানচ্যুত লোকসকলৰ বাবে ২৫০টা পূর্বনির্মিত বাসগৃহও হস্তান্তৰ কৰা হৈছিল।

আনহাতে, ৰোহিংগীয়া গণহত্যাৰ গোচৰত বৃহস্পতিবাৰে আন্তঃৰাষ্ট্রীয় ন্যায়ালয়ে ৯-৬ সংখ্যাগৰিষ্ঠতাৰে ম্যানমাৰক গণহত্যা প্রতিৰোধ আৰু শাস্তি প্রদান সম্পর্কীয় ১৯৪৮ চনৰ চুক্তিৰ অধীনত দায়িত্ব উলংঘা কৰাৰ বাবে দায়ী সাব্যস্ত কৰে। গাম্বিয়াই ২০১৯ চনত দাখিল কৰা গোচৰটোৰ ভিত্তিত এই ৰায় প্রদান কৰা হয়।

আদালতে ম্যানমাৰক গণহত্যাৰ সৈতে জড়িত সন্দেহযুক্ত লোকসকলৰ তদন্ত আৰু বিচাৰ, ভৱিষ্যতে এনে ঘটনা ৰোধৰ ব্যৱস্থা গ্রহণ আৰু ক্ষতিগ্রস্ত ৰোহিংগীয়াসকলক ক্ষতিপূৰণ প্রদানৰ নির্দেশ দিছে। লগতে স্থানচ্যুত লোকসকলৰ নিৰাপদ, স্বেচ্ছামূলক আৰু মর্যাদাপূর্ণ প্রত্যাৱর্তন তথা বিচ্ছিন্ন হোৱা পৰিয়ালসমূহৰ পুনৰ মিলনৰ বিষয়টোও ৰায়ত অন্তর্ভুক্ত কৰা হৈছে । ক্ষতিপূৰণৰ পৰিমাণ আৰু প্রদানৰ পদ্ধতি পৰৱর্তী পর্যায়ত নির্ধাৰণ কৰা হ’ব। ম্যানমাৰক দুবছৰৰ ভিতৰত আদালতত এই সন্দর্ভত প্রতিবেদন দাখিল কৰিবলৈও নির্দেশ দিয়া হৈছে।

ৰোহিংগীয়া সংকটৰ সমাধানৰ ক্ষেত্রত ভাৰতৰ এই পুনৰাবৃত্ত স্থিতিয়ে বাংলাদেশ আৰু ম্যানমাৰৰ মাজত শৰণার্থীসকলৰ প্রত্যাৱর্তনৰ বিষয়টোক পুনৰ আন্তঃৰাষ্ট্রীয় আলোচনাৰ কেন্দ্রলৈ আনিছে।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/4699/vat-ohinggeeza-mzanma-ptzatn-antashteez-nzazalz